**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগক কেন্দ্ৰ কৰি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজিও স্থগিত ৰাখিবলগীয়া হয়।

২। বিধি বলৱৎকাৰী সঞ্চালকালয়ে চাইবাৰ অপৰাধ নেটৱৰ্কৰ সৈতে জড়িত চাৰ্টাৰ্ড একাউন্টেণ্টৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে।

৩। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড ক'ৰিডৰৰ নিৰ্মাণ কাৰ্য অহা চাৰি-পাঁচ মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

৪। গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। আজিয়েই মহোৎসৱৰ শ্ৰেষ্ঠ ছবিৰ পুৰস্কাৰসমূহ ঘোষিত হ'ব।

আৰু

৫। ওমানৰ মাছকটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে আজি নিজৰ দ্বিতীয়খন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ ফলত সংসদৰ উভয় সদনৰ কাম-কাজ আজি একেৰাহে তৃতীয় দিনৰ বাবেও স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাত আজি কেৰালাৰ ৱায়নাড়ৰ পৰা নিৰ্বাচিত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী আৰু মহাৰাষ্ট্ৰৰ নান্দেড় সমষ্টিৰ পৰা নিৰ্বাচিত বিজেপি সাংসদ ৰবীন্দ্ৰ বসন্ত ৰাও চাৱনে শপত গ্ৰহণ কৰাৰ পাছতেই কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে আৰু অন্যান্য বিৰোধী দলসমূহে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ বিচাৰি সংসদ উত্তাল কৰি তোলে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ গৰিমা আৰু শিষ্টাচাৰ অটুত ৰাখিবৰ বাবে আহ্বান জনায় যদিও সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ অব্যাহত ৰাখে। লোকসভাৰ অধ্যক্ষই উত্তেজিত বিৰোধী সদস্যসকলক নিজৰ আসনলৈ উভতি যাবলৈ কয় আৰু সদনৰ কাম-কাজ ব্যাহত কৰিবলৈ তেওঁলোকে পূৰ্ব-পৰিকল্পিতভাৱে চেষ্টা কৰিছে নেকি বুলি প্ৰশ্ন কৰে। হুলস্থুলীয়া পৰিৱেশৰ মাজতে অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল চলাই নিয়াৰ চেষ্টা কৰে যদিও তেওঁৰ প্ৰচেষ্টা ব্যৰ্থ হয়। ইয়াৰ পাছতে অধ্যক্ষই প্ৰথমে দুপৰীয়া ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে।

ৰাজ্যসভাতো আজি কাম-কাজ আৰম্ভ হোৱাৰ সময়ত কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে ২৬৭ অধিনিয়মৰ অধীনত দেশৰ এটা আগশাৰীৰ ব্যৱসায়িক গোটৰ বিৰুদ্ধে উত্থাপিত উৎকোচ গ্ৰহণ আৰু অন্যান্য বিষয়সমূহ সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনায়। তেওঁক অন্যান্য বিৰোধী সদস্যসকলেও সমৰ্থন জনায়। উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে বিৰোধী দলসমূহে সভাস্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰাত পুনৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয় আৰু সদন দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি লোকসভা আৰু ৰাজ্য সভাৰ কাম-কাজ বাধাগ্ৰস্ত কৰাৰ বাবে বিৰোধী দলসমূহক জবাবদিহি কৰে। সংসদ ভৱনৰ চৌহদত সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰী যোশীয়ে কয়, যে চৰকাৰ লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্য সভাৰ সভাপতিয়ে অনুমোদন জনোৱা বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰিবলৈ সম্পূৰ্ণ প্ৰস্তুত।

০০০০০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে চাইবাৰ অপৰাধ নেটৱৰ্কৰ সৈতে জড়িত চাৰ্টাৰ্ড একাউটেণ্টৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। দেশজুৰি সংঘটিত ফিছিং কেলেংকাৰী, কিউ আৰ ক'ড প্ৰৱঞ্চনা, পাৰ্ট টাইম চাকৰিৰ প্ৰলোভন দিয়াকে ধৰি হাজাৰ হাজাৰ চাইবাৰ অপৰাধৰ বিৰুদ্ধে এই অভিযান চলোৱা হৈছে। ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ আৰু বিত্তীয় চোৰাংচোৱা সংস্থাকে ধৰি দেশৰ কেইবাটাও সংস্থাই বিভিন্ন অপৰাধৰ বিশ্লেষণ কৰি আছে। এই বিশ্লেষণৰ জৰিয়তে এনে প্ৰৱঞ্চকসকলে ডেবিট আৰু ক্ৰেডিট কাৰ্ডকে ধৰি প্ৰায় ১৫ হাজাৰ ভুৱা বেংক একাউণ্টলৈ ধন হস্তান্তৰ কৰে। এই ধন পৰৱৰ্তী কালত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰলৈ সৰবৰাহ কৰি ক্ৰিপ্টো মুদ্ৰাত পৰিণত কৰা হয় আৰু ইয়াৰ নেপথ্যত কেতবোৰ সন্দেহজনক চাৰ্টাৰ্ড একাউটেণ্টৰ ভূমিকা আছে বুলি অনুসন্ধানকাৰীসকলে তথ্য লাভ কৰিছে। দিল্লীৰ বিজৱান অঞ্চলত আজি চলোৱা অভিযানৰ সময়ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ এটা দলৰ ওপৰত প্ৰৱঞ্চকৰ দলে আক্ৰমণ চলোৱাৰো বাতৰি আহিছে।

০০০০০০০০০

কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে প্ৰায় সকলো ক্ষেত্ৰতে হোৱা দেশৰ বিকাশৰ বাবে ভাৰত সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় বাণিজ্য, গৱেষণা আৰু বিনিয়োগৰ বাবে এটা আকৰ্ষণীয় কেন্দ্ৰ হৈ উঠিছে। নতুন দিল্লীত আজি পুৱা এখন সংবাদমেল সম্বোধন কৰি শ্ৰী গোৱেলে ডিজিটেল ভাৰত অভিযানে দেশত বৈপ্লৱিক পৰিৱৰ্তন অনা বুলি উল্লেখ কৰাৰ লগতে সমগ্ৰ বিশ্বৰ বাবে ভাৰতক তথ্যৰ কেন্দ্ৰ তথা কৃত্ৰিম বুদ্ধিমত্তা গৱেষণা আৰু গোলকীয় দক্ষতাৰ মূল কেন্দ্ৰ হিচাপে পৰিগণিত কৰিছে বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে আন্তঃ সংযোজিত গ্ৰীড নেটৱৰ্ক মুকলি আৰু পৰিকাঠামোগত বিকাশে দেশৰ যোগাযোগ ক্ষেত্ৰখনত বৈপ্লৱিক পৰিৱৰ্তন অনাত মূল ভূমিকা গ্ৰহণ কৰিছে বুলিও কয়। শ্ৰী গোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনত প্ৰশাসনৰ সাল-সলনিয়ে সম্প্ৰতি দেশ দুখনৰ লগত থকা বাণিজ্যিক অংশীদাৰিত্বৰ ক্ষেত্ৰত কোনোধৰণে প্ৰভাৱ নেপেলায় বুলি নিশ্চিতি দিয়ে। তেওঁ লগতে সংসদৰ শীতকালীন অধিৱেশনৰ পাছতে ব্ৰিটেইনৰ সৈতে মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত ভাৰতৰ আলোচনা পুনৰ আৰম্ভ কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০০০০০

অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড ক'ৰিডৰৰ নিৰ্মাণ কাৰ্য অহা চাৰি-পাঁচ মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি কাজিৰঙা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশ লৈ এই কথা প্ৰকাশ কৰে। প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ বাবে শীঘ্ৰে ৰাজ্য মন্ত্ৰী সভাত প্ৰস্তাৱ দাখিল কৰা হ'ব। কাজিৰঙাত অনুষ্ঠিত পৰ্যটন মেলাত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ সৈতে এখন সংবাদ মেলৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ প্ৰস্তাৱ মন্ত্ৰী সভাত দাখিলৰ পাছতে বহু প্ৰত্যাশিত এলিভেটেড ক'ৰিডৰৰ নিবিদা জাৰি হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে এই প্ৰকল্পটোৰ বাবে প্ৰায় সকলোখিনি প্ৰাৰম্ভিক কাম সম্পূৰ্ণ কৰি তোলা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰায় ৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক'ৰিডৰে বিশেষকৈ বাৰিষা বানৰ সময়ত বন্য জীৱ-জন্তু প্ৰব্ৰজনৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰিব।

০০০০০০

গোৱাৰ ৰাজধানী পানাজীত চলি থকা ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা যুৱপ্ৰজন্ম আৰু চিনেমা বিষয়ত কলা একাডেমীত এখন আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ লগতে চেক-ইংৰাজী আৰু জাৰ্মান ভাষাত নিৰ্মিত বহদান শ্লামাই পৰিচালনা কৰা ড্ৰাই চিজন শীৰ্ষক চিনেমাখন সামৰণি চিনেমা হিচাপে প্ৰদৰ্শন কৰা হ'ব। আজি বিয়লি পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ইন্দোৰ ষ্টেডিয়ামত মহোত্সৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হব আৰু ইয়াতেই প্ৰতিযোগিতা শিতানত অৱতীৰ্ণ ছবিসমূহৰ ফলাফল ঘোষণা কৰা হ'ব। শ্ৰেষ্ঠ চলচ্চিত্ৰৰ গল্ডেন পিককৰ লগতে এই শিতানৰ অন্যান্য বঁটাসমূহো আজিৰ অনুষ্ঠানত প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, চলিত বছৰত অসমীয়া ভাষাৰ তিনিখন চিনেমা ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ ভিতৰত যদুমণি দত্তই পৰিচালনা কৰা জুইফুল ছবিখন ইউনেস্কো গান্ধী মেডেলৰ কাৰণে প্ৰতিযোগিতা শিতানত  কালি প্ৰদৰ্শিত হয়। অসম-নাগালেণ্ড সীমান্ত সমস্যাক লৈ নিৰ্মিত এই ছবিখনত দুগৰাকী নাৰীৰ মানৱীয় সম্পৰ্কৰ চিত্ৰায়ন কৰা হৈছে। ইয়াৰ উপৰি ৰাজেশ ভুঞাৰ পৰিচালনাৰ স্বৰ্গৰথ ২৫ বছৰৰ বিৰতিত অসমৰ পৰা মূলসুঁতিৰ চিনেমা শাখাত প্ৰদৰ্শিত হয়। অসমৰ আন এগৰাকী ছবি নিৰ্মাতা ববী শৰ্মা বৰুৱাৰ ৰ'দৰ পাখিও ভাৰতীয় পেনোৰমাত প্ৰদৰ্শিত হয়। অসমৰ কেনী বসুমতাৰীৰ পৰিচালনাৰে এন এফ ডি চিৰ প্ৰযোজনাৰ বড়ো ভাষাৰ বিবো বিনানাও নামৰ চিনেমাখনো মহোৎসৱত প্ৰদৰ্শিত হয়। চুটি ছবি শিতানত ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানৰ প্ৰযোজনাৰে চাঞ্চোচিয়া শীৰ্ষক চিনেমাখন ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হয়। ইতিমধ্যে চিনেমা নিৰ্মাণ আৰু বিতৰণৰ মঞ্চ হিচাপে চিহ্নিত ফিল্ম বাজাৰৰ শিতানৰ সামৰণি পৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন চিনেমাই ফিল্ম বাজাৰত বিতৰক আৰু নিৰ্মাতাসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি পানাজীৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে দুদিনীয়া কাৰ্যসূচীৰে তামিলনাডু ভ্ৰমণ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি কাঞ্চি কামটচিয়াম্মন মন্দিৰ পৰিদৰ্শন কৰে। মন্দিৰ কৰ্তৃপক্ষই তেওঁক পৰম্পৰাগত নীতি-নিয়মেৰে আদৰণি জনায়। মন্ত্ৰীগৰাকীয়ে কাঞ্চিপুৰমৰ এনাথুৰত থকা শ্ৰীশংকৰা বিশ্ববিদ্যালয়তো উপস্থিত থকাৰ কথা।

০০০০০০০০০

ওমানৰ মাছকটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে আজি নিজৰ দ্বিতীয়খন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে নিজৰ প্ৰথমখন খেলত থাইলেণ্ডক ১১ – শূন্য গ'লৰ বিশাল ব্যৱধানত পৰাজিত কৰিছিল। শনিবাৰে ভাৰতে চীনা টাইপে আৰু গ্ৰুপৰ চূড়ান্ত পৰ্যায়ৰ খেলত অহা দেওবাৰে কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

**সমাপ্ত**